12/8/23, 11:22 AM

# যোগীঘোপাৰ এমজি ক... জত এইড্‌ছ দিৱস

নিয়মীয়া বাৰ্তা, যোগীঘোপা, ৩ ডিচেম্বৰ ঃ বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰাস্থিত মহত্মা গান্ধী মহাবিদ্যালয়ত বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত কালি বিশ্ব এইড্‌ছ দিৱস উদযাপন কৰা হয়। মহাত্মা গান্ধী মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয় প্ৰেক্ষাগৃহত এই উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে স্বাস্থ্য বিভাগৰ জিলা ন'ডেল বিষয়া ডাঃ বাদল সৰকাৰৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব তৰুণ দে', বঙাইগাঁও জিলা এইড্‌ছ নিয়ন্ত্ৰণ বিষয়া ডাঃ প্ৰণৱ কুমাৰ ৰয়, অভয়াপুৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ মুনীন্দ্ৰ কাকতি, মহত্মা গান্ধী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° শেখ ফখৰুদ্দিন আলী আহমেদকে ধৰি মহাবিদ্যালয়খনৰ আন প্ৰবক্তাসকল, আশাকৰ্মী তথা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানৰ পূৰ্বে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়া-কৰ্মচাৰীসকলে চলন্তাপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা মহাত্মা গান্ধী মহাবিদ্যালয়লৈ বিশাল সজাগতা সমদল উলিয়ায়।

https://mail.google.com/mail/u/0/?tab=rm&ogbl#inbox?projector=1

CS CamScanner